অন্তিম অধ্যায়। ইয়াৰ পূৰ্বৱৰ্তী অধ্যায় দুটাত আপুনি কম্পিউটাৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰাৰ লগতে অসমীয়া আখৰ কম্পিউটাৰত ব্যৱহাৰ কৰিব পৰাকৈ সৃষ্টি হোৱা বিভিন্ন লিখন সঁজুলি, অভিধান, প্লাগ্-ইন, ফণ্ট আদিৰ বিষয়ে চমুকৈ অধ্যয়ন কৰিলে। এই অধ্যায়টিত মূলতঃ ইণ্টাৰনেটত অসমীয়া ভাষাৰ স্থিতি সম্পৰ্কে কিছু কথাৰ আলোচনা কৰা হ'ব।

এই অধ্যায়টিত ইণ্টাৰনেটৰ সংজ্ঞা, ইতিহাস; ইণ্টাৰনেটত অসমীয়া ভাষা — ই-মেইল আৰু ব্লগত ব্যৱহৃত অসমীয়া ভাষা, ৰেব জার্নেল, বিভিন্ন কার্যালয়ৰ অসমীয়া ৰেব-চাইট, বিভিন্ন ই-গ্ৰুপ আদি, ইণ্টাৰনেটৰ অসমীয়া অভিধান তথা পুথিভঁৰাল, অসমীয়া ইণ্টাৰনেট ৰেডিঅ' আদিৰ বিষয়ে কিছু কথাৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। অধ্যায়টোৰ অধ্যয়নে আপোনাক ইণ্টাৰনেটত অসমীয়া ভাষাৰ স্থিতি সম্পৰ্কে ধাৰণা প্ৰদান কৰিব।

১৫.৩ ইণ্টাৰনেটৰ সংজ্ঞা আৰু ইতিহাস

ইণ্টাৰনেট হৈছে এটা বিশ্বজুৰি কম্পিউটাৰ নেটৱৰ্ক যি বিভিন্ন প্ৰকাৰৰ তথ্য আৰু যোগাযোগৰ সুবিধাসমূহ ক্ষিপ্ৰভাৱে প্ৰদান কৰে, য'ত মানবিশিষ্ট যোগাযোগ প্ৰ'ট'কল ((IP ঠিকনা)ৰ ব্যৱহাৰ কৰি আন্তঃসংযোগ নেটৱৰ্ক গঠন কৰা হৈছে। ইয়াৰ লগত অনেক কম্পিউটাৰ জড়িত হৈ থাকে যদিও সেই কম্পিউটাৰসমূহৰ মাজত কোনো ধৰণৰ তাঁৰৰ ব্যৱস্থা নাথাকে। বিভিন্নজনে ইণ্টাৰনেটৰ বিভিন্ন সংজ্ঞা নির্ধাৰণ কৰিছে যদিও সকলো সংজ্ঞাই একেই অর্থ বহন কৰে। তথাপি ইণ্টাৰনেটৰ কেইটামান প্ৰচলিত সংজ্ঞা হ'ল —

- ইণ্টাৰনেট হ'ল বিভিন্ন দেশত থকা কম্পিউটাৰৰ তথ্যৰ নেটৱৰ্কৰ মাধ্যমৰে আন্তঃসংযোগ কৰা এটা মাধ্যম।
- ইয়ে সমগ্ৰ বিশ্বযুৰি বিভিন্ন কম্পিউটাৰৰ নেটৱৰ্কৰ মাজত তথ্য আদান-প্ৰদান কৰে।
- ই সমগ্ৰ বিশ্বব্যাপি সংযোগ সাধন হোৱা বিভিন্ন কম্পিউটাৰৰ নেটৱৰ্ক মাধ্যমক বুজায় য'ত এই নেটৱৰ্কত সংলগ্ন যিকোনো ব্যক্তি এজনে আনজনৰ তথ্য পঢ়িব বা চাব পাৰে।

ইণ্টাৰনেটৰ ইতিহাস আৰম্ভ হয় ইলেক্ট্ৰনিক কম্পিউটাৰৰ অগ্ৰগতিত লগে লগে ১৯৫০ চনত। ইণ্টাৰনেটৰ আৰম্ভণি হয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক বাহিনীৰ সুৰক্ষাৰ বাবে ১৯৬০ চনত তৈয়াৰ কৰা ARPANET (ADVANCE RESEARCH PROJECT AGENCY NETWORK) নামৰ এটা ব্যৱস্থাৰ মাধ্যমেৰে। প্ৰথম অৱস্থাত ARPANET-ৰ জৰিয়তে আমেৰিকাৰ সকলো কম্পিউটাৰ সংযোগ কৰা হৈছিল। কম্পিউটাৰ বিজ্ঞানৰ অধ্যাপক Leonard Kleinrock-এ তেওঁৰ গৱেষণাগাৰ University of California, Los Angeles (UCLA)ৰ পৰা ARPANET-ৰ মাধ্যমেৰে ১৯৬৯ চনত প্ৰথমবাৰৰ বাবে Stanford Research Institute (SRI)লৈ এটা বার্তা প্ৰেৰণ কৰে। এই বার্তাটোৰ পিছতেই জনসাধাৰণৰ মনত ইণ্টাৰনেট সম্পৰ্কে প্ৰথম ধাৰণা প্ৰৱর্তন হয়। পিছলৈ আমেৰিকাৰ চৰকাৰে ARPANET-ক সার্বজনীক কৰিবৰ বাবে National Science Foundation-ক দায়িত্ব অর্পণ কৰে। কিন্তু প্ৰথম অৱস্থাত আজিৰ ইণ্টাৰনেটত

১৫.৪ ইণ্টাৰনেটত অসমীয়া ভাষা

বৰ্তমান কম্পিউটাৰত কিদৰে অসমীয়া ভাষাৰ ব্যৱহাৰ হৈছে সেই কথা আমি পূৰ্বৱৰ্তী অধ্যায়ত আলোচনা কৰি আহিছোঁ। কম্পিউটাৰৰ সমান্তৰালকৈ যোৱা ১০ বছৰৰ ভিতৰত ইণ্টাৰনেটৰ মাধ্যমেৰেও অসমীয়া ভাষা-সাহিত্যই বিভিন্ন ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিছে। বৰ্তমান বিভিন্ন ধৰণেৰে অসমীয়া ভাষা-সাহিত্যৰ সমল ইণ্টাৰনেটত উপলব্ধ হৈছে। বৰ্তমান "অসমীয়া ভাষা' শব্দটো অসমীয়া লিপিতে লিখি ইণ্টাৰনেটৰ অনুসন্ধান কৰিলে ০.৬১ ছেকেণ্ডত প্ৰায় ২, ২৯, ০০০ ৰেবচাইটত "অসমীয়া ভাষা"ৰ সমল পোৱা যায়। এই তথ্যই অসমীয়া ভাষাৰ মান-সম্পন্ন সমলৰ প্ৰতিনিধিত্ব নকৰিলেও ইণ্টাৰনেটত অসমীয়া ভাষাৰ চৰ্চাক দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে।

'ইণ্টাৰনেটত অসমীয়া ভাষা'ৰ বিষয়ে আলোচনা কৰিবলৈ যাওতে বিভিন্ন ৰেবচাইট, ব্লগ, ফেচবুকৰ দৰে সামাজিক যোগসূত্ৰৰ মাধ্যমসমূহত কিদৰে অসমীয়া ভাষাৰ ব্যৱহাৰ হৈছে সেই বিষয়ে আলোচনা কৰিব পাৰি। ৰেবচাইটবিলাকৰ লক্ষণ আৰু চৰিত্ৰ অনুসৰি আকৌ ইয়াক-অসমীয়া ভাষাৰ প্ৰকাশিত গ্ৰন্থৰ ইণ্টাৰনেট সংস্কৰণ, অসমীয়া ই-বুক, অসমীয়া ব্লগ, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাৰ বিভিন্ন ৰেবচাইট, অসমীয়া ই-অভিধান, ইণ্টাৰনেট পুথিভঁৰাল, ইণ্টাৰনেট ৰেডিঅ' ফেচবুকৰ মাধ্যমেৰে অসমীয়া ভাষাত প্ৰচাৰিত হৈ থকা ই-গ্ৰুপ আদিৰ বিষয়ে আলোচনা কৰিব লাগিব। ইণ্টাৰনেটত অসমীয়া ভাষাৰ আলোচনাক আমি দুই ধৰণেৰে আলোচনা কৰিব পাৰোঁ। ১৯৯১ চনত Unicode Consortium-এ ইউনিক'ড ব্যৱস্থাৰ উদ্ভাৱন কৰাৰ আগৰ সময়চোৱাৰ সমল আৰু ইউনিক'ড ব্যৱস্থাৰ প্ৰচলনৰ পিছৰ সময়চোৱাৰ সমল। তুলনামূলকভাৱে ইউনিক'ড ব্যৱস্থাৰ উদ্ভাৱনৰ আগতে ইণ্টাৰনেটত বিশেষ অসমীয়া সমল পোৱা নগৈছিল। যি দুই এটা ৰেবচাইটত অসমীয়া সমল আছিল সেই সকলোবোৰ পিডিএফ সজ্জাত সংগ্ৰহ কৰি ৰখা হৈছিল। কিন্তু ইণ্টাৰনেটত প্ৰকৃত অসমীয়া ভাষাৰ প্ৰচাৰ আৰম্ভ হয় ইউনিক'ডৰ উদ্ভাৱনৰ পিছৰ পৰাহে। বিশেষকৈ অসমীয়া ভাষাৰ ব্লগ, ই-গ্ৰুপ, ই-আলোচনী, পুথিভঁৰাল, অভিধান এই সকলোবোৰ ইউনিক'ড ব্যৱস্থাৰ পিছতহে সম্ভৱ হৈছে।

১৫.৪.১ ই-মেইল আৰু ব্লগত ব্যৱহৃত অসমীয়া ভাষা

ইণ্টাৰনেটত বৰ্তমান জনপ্ৰিয় এটা মাধ্যম হ'ল ই-মেইল আৰু ব্লগসমূহ। ই-মেইল (Electronic mail) হ'ল ইণ্টাৰনেটৰ মাধ্যমেৰে খবৰ বা তথ্য আদান-প্ৰদান কৰা এটা দ্ৰুত আৰু সুৰক্ষিত মাধ্যম। ই-মেইলৰ মাধ্যমেৰে মানুহে পৃথিৱীৰ যিকোনো ঠাইতে থাকি ইণ্টাৰনেট সংলগ্ন কম্পিউটাৰ বা ম'বাইলৰ পৰা আন এজন ব্যক্তিলৈ খবৰ বা নথি-পত্ৰ প্ৰেৰণ কৰিব পাৰে। আমেৰিকাৰ কম্পিউটাৰ প্ৰ'গ্ৰেমাৰ ৰয় টমলিনচন (Ray Tomlinson)ক ই-মেইলৰ আৱিষ্কাৰক বুলি কোৱা হয়। তেওঁৰেই পোন প্ৰথম বাৰৰ বাবে ১৯৭১ চনত ARPANET নামৰ এটা ব্যৱস্থাৰ মাধ্যমেৰে বিভিন্ন কম্পিউটাৰত থকা ব্যৱহাৰকাৰীলৈ ই-মেইল প্ৰেৰণ কৰিব পৰা ব্যৱস্থাৰ সৃষ্টি কৰে। ইয়াৰ আগলৈকে

সাধাৰণতে মানুহৰ ব্যক্তিগত জীৱনৰ অনুভৱ, চিন্তা-চেতনাৰ সংগ্রহ হ'লেও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক প্রতিনিধিত্ব কৰা কেইবাটাও ব্লগ পোৱা যায়। তাৰ ভিতৰত উল্লেখযোগ্য কেইটামান ব্লগ হ'ল —

- সাহিত্য অকাডেমী বঁটা বিজয়ী প্রথম গৰাকী অসমীয়া লেখক যতীন্দ্রনাথ দুৱৰা বিষয়ক 'আশাৰ দূবৰি' নামেৰে এই ব্লগ সৃষ্টি কৰা হৈছে। ইয়াত কবিগৰাকীৰ কেইটামান নির্বাচিত কবিতা আৰু কথা-কবিতাৰে অন্তর্ভুক্ত কৰা হৈছে।
- কবি হীৰেন ভট্টাচার্যৰ নামেৰে এটা ব্লগ পোৱা যায়। ইয়াত কবিগৰাকীৰ জীৱন-কৃতি, তেওঁৰ কবিতা আৰু অন্যান্য সমল সংগ্রহ কৰি ৰখা হৈছে।
- হিমজ্যোতি তালুকদাৰৰ 'মই আৰু মোৰ পৃথিৰী' নামৰ ব্লগটোত নির্বাচিত অসমীয়া গীত, ভূপেন হাজৰিকাৰ বিভিন্ন গীতৰ কথাংশ, সাধাৰণ জ্ঞান, চলচ্চিত্র আদিৰ বিষয়ে লেখা পোৱা যায়।
- 'বিষ্ণুৰাভা সংগীতৰ লিপি' এটা অতি গুৰুত্বপূর্ণ ব্লগ। এই ব্লগটোত কলাগুৰু বিষ্ণুৰাভাৰ সৃষ্টিৰাজিক সংগ্রহ কৰি ৰখা হৈছে। ইয়াত বিষ্ণুৰাভাৰ গীতসমূহক 'চিৰ যুগমীয়া গীতসমূহ', 'চিৰ জ্যোতিস্মান গীতসমূহ', 'অতি জনপ্রিয় গীতসমূহ', 'বিপ্লৰী গীতসমূহ', 'ৰোমাণ্টিক গীতসমূহ', 'ধার্মিক গীতসমূহ' আৰু 'কলাগুৰুৰ অন্তিম গীতটি' আদি কেইবাটাও ভাগত ভাগ কৰি ইউনিক'ডত লিখি ৰাখিছে। ব্লগটো ৰচনা কৰিছে হৃষীৰাজ শর্মাই।
- বুলজিৎ বুঢ়াগোহাঁইয়ে তেওঁৰ 'বুলজিৎ' নামৰ ব্লগটোৰ মাজত অসমৰ হেৰাই যাব ধৰা বহুতো বিহুগীত সংগ্রহ কৰি ৰাখিছে।

এই ব্লগসমূহৰ উপৰি বর্তমান অসমীয়া ভাষাত প্রচলিত প্রায় এশৰো ওপৰৰ ব্লগ পোৱা যায়। তেনে কিছুমান ব্লগ হ'ল— আকাশ (যামিনী অনুৰাগ), মোৰ অন্তৰৰ দুৱাৰ (মনোজ মন কলিতা), স্পন্দন (বিশ্বজিৎ নাথ), আমি অসমীয়া (মনজিৎ নাথ), মন কহুৱা বন (বর্ণালী দেউৰী বৰা), প্রত্যাশা (ড০ অঞ্জল বৰা), খাৰ নোখোৱাৰ কলম (অক্লান্তিকা শইকীয়া), বিজ্ঞানৰ বিচিত্র কথা (ড০ প্রবোধ বৰা), জালপঞ্জী (বিক্রম মজিন্দাৰ বৰুৱা), অনুভূতিৰ ভৰপক (পংকজ বৰা), অলিন্দ (পংকজ জ্যোতি মহন্ত), যাযাবৰ (প্রিয়াংকু শর্মা), বর্ণমালা (পল্লৱ প্রাণ গোস্বামী), মোৰ কবিতা (কাঞ্চন গগৈ), মোৰ ভাৱৰ বুৰবুৰণি (চৈতন্য ভৰদ্বাজ), মোৰ হৃদয়ৰ কুঠৰী (ৰিদিপ কুমাৰ নাথ), গুঞ্জন (যামিনী অনুৰাগ), ইত্যাদি (হৃষীৰাজ শর্মা), ইপাৰে জীৱন-সিপাৰে মৃত্যু (উচ্চজিৎ কলিতা), সত্বা...এক অবিৰত যাত্রা... (মিতালী বর্মন), স্বস্ত্যয়ন (সুস্মিতা বৰা), অৱকাশ (মনোৰঞ্জন মজুমদাৰ), মিলন সাঁকো (প্রতিম প্রতাপ বৰুৱা), এই সময়ত (পংকজ জ্যোতি মহন্ত, শব্দ বৰষুণ... (ধ্রুৱজ্যোতি শর্ম্মা), মোৰ তুলিকাৰ পৃথিৰী (ৰূপালী গগৈ বৰুৱা), ৰঙা চিয়াঁহী (অজয় লাল দত্ত), বিক্ষিপ্ত (গীতার্থ বৰদলৈ), মূর্চ্ছনা (দ্বিজেন মহন্ত), অনুভৱৰ বৰষুণ (মাধুৰীমা ঘৰফলীয়া), তৰংগ (দীপাংকৰ চেতিয়া), আকাংক্ষা (দিগন্ত শইকীয়া),

বিভিন্ন প্ৰান্তত থকা এচাম মাতৃভাষাপ্ৰেমী অসমীয়াই।

অসমীয়া 'ই-জোনাকী যুগ'ৰ প্ৰকৃত ধল বোৱাইছে ইণ্টাৰনেটৰ মাধ্যমেৰে প্ৰকাশিত 'ৱেব জার্নেল' বা 'ই-আলোচনী'সমূহে। বিশেষকৈ ইউনিক'ড ব্যৱস্থাৰে লিখা-মেলা কৰিব পৰা হোৱাৰে পৰা পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা এচাম অসমীয়া যুৱক-যুৱতীয়ে কোনো এক নির্দিষ্ট কার্যলয়ত বহি নথকাকৈয়ে ইণ্টাৰনেটৰ মাধ্যমেৰেই এনে আলোচনীসমূহ প্ৰকাশ কৰি আহিছে। বর্তমান সময়ৰ লগে লগে বিভিন্ন বিষয়ক 'ৱেব জার্নেল'ৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। তলত অসমীয়া ভাষাত প্ৰকাশ পোৱা কেইখনমান ৱেব জার্নেলৰ বিষয়ে উল্লেখ কৰা হ'ল —

- এনাজৰী ঃ এনাজৰী হৈছে প্ৰথম অসমীয়া দ্বিভাষীক অনলাইন আলোচনী। ২০১০ চনৰ ১৩ মার্চ তাৰিখে www.enajori.com নামৰ ৱেবছাইটটো গুৱাহাটী প্ৰেছ ক্লাবত সাহিত্যিক নিৰুপমা বৰগোহাঞিয়ে উন্মোচন কৰে। আলোচনীখনৰ মুখ্য সম্পাদক আৰু মুখ্য পৰিকল্পনাকাৰী হ'ল হিমজ্যোতি তালুকদাৰ। কেইবাজনো উপদেষ্টা সমন্বিতে সম্পাদক আৰু সদস্যৰে ইয়াৰ এখন সম্পাদনা সমিতি আছে। ইয়াৰ সম্পাদনা আদি বিভিন্ন কামত এদল অসমীয়া যুৱক-যুৱতী স্বেচ্ছাসেৱক হিচাপে জড়িত হৈ আছে। এনাজৰী এখন ৱেব জার্নেল বা ই-আলোচনী হোৱাৰ উপৰি ইয়াত অসমৰ বুৰঞ্জী, বোলছবি, পর্য্যটন, সংগীত, গ্ৰন্থ, সাহিত্যিক, অসমীয়া খাদ্যসম্ভাৰ, বনাঞ্চল, বন্যপ্ৰাণী আদি সম্পর্কীয় বহুখিনি তথ্যবস্তু সন্নিৱিষ্ট হৈছে। কবিতা আৰু গল্পৰ অসমীয়া আৰু ইংৰাজী অনুবাদো ইয়াত সংৰক্ষিত হৈ আছে। পুৰণি অসমীয়া গীতৰ সংৰক্ষণ, ই-বুক সংগ্ৰহ, বহুতো পুৰণি আৰু বিশিষ্ট ব্যক্তিৰ আলোকচিত্ৰ সংগ্ৰহ, *বুঢ়ী আইৰ সাধু*ৰ বহুকেইটা সাধু, আৰু শিশু শিতানেৰেও ই সমৃদ্ধ। অসমীয়া চিৰসেউজ গীতসমূহ সংৰক্ষণৰ দিহা কৰাৰ উপৰি বহুতো কালজয়ী অসমীয়া কবিতাৰ ই এক বৃহৎ ভাণ্ডাৰ। এই আলোচনীখন ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰসংগসূত্ৰৰূপেও স্বীকৃতি লাভ কৰিছে। এনাজৰীয়ে ইতিমধ্যে 'মন্থন ছাউথ এছিয়া এণ্ড এছিয়া পেচিফিক এৱার্ড' (২০১২) আৰু 'ৱর্ল্ড ছামিট এৱার্ড' (২০১৩) লাভ কৰিছে।
- সাহিত্য ডট্ অর্গ ঃ সাহিত্য ডট্ অর্গ (www.xahitya.org) অসমীয়া ভাষাত প্ৰকাশিত এখন অন্যতম মাহেকীয়া ই-আলোচনী। ২০১১ চনৰ জুলাই মাহত এই আলোচনীখনৰ প্ৰথম সংখ্যাটি প্ৰকাশ হয়। প্ৰতি ইংৰাজী মাহৰ ১৫ তাৰিখে আলোচনীখন প্ৰকাশ পায়। অসমীয়া ভাষা-সাহিত্যৰ চর্চাৰ লগতে অসমীয়া ভাষাক বিশ্বমুখী কৰাৰ এক প্ৰচেষ্টা হিচাবে ফে'চবুকৰ 'অসমীয়াত কথা-বতৰা' গোটত প্ৰকাশিত লেখাসমূহৰ মাজৰ পৰা নির্বাচিত লেখাৰ উপৰি ইণ্টাৰনেটৰ বাহিৰৰ পৰাও অসমীয়া ভাষাৰ লেখা আলোচনীখনত প্ৰকাশৰ ব্যৱস্থা কৰা

Mathematics of Planet Earth 2013 প্ৰকল্পৰ সহযোগী আলোচনী ৰূপে স্বীকৃতি পায়। পৰম্পৰাগত গণিত শিকন পদ্ধতিৰ পৰিৱৰ্তে গণিতক অধ্যয়নৰ এক মনোৰম ক্ষেত্ৰ ৰূপে সাধাৰণ মানুহৰ আগত ডাঙি ধৰাৰ প্ৰয়াসেৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন ছাত্ৰ পংকজ জ্যোতি মহন্ত আৰু মঞ্জিল প্ৰতীম শইকীয়াই আলোচনীখনৰ প্ৰথম প্ৰকাশৰ ব্যৱস্থা কৰে।

- ফটাঢোল ঃ অসমীয়া ভাষাত প্ৰকাশিত ফটাঢোল (www.fotadhol.com) এখন হাস্য-ব্যঙ্গৰ মাহেকীয়া ই-আলোচনী। ২০১৭ চনৰ জুলাই মাহত এই আলোচনীখনৰ প্ৰথম সংখ্যাটি প্ৰকাশ হয়। ফেচবুকৰ 'ফটাঢোল' গোটৰ সদস্যসমূহে গোটত প্ৰকাশিত কৰা লেখাৰপৰা সম্পাদকে প্ৰকাশৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা লেখা তথা সাহিত্য জগতৰ প্ৰতিষ্ঠিত আৰু জনপ্ৰিয় লেখকৰ লেখাসমূহৰ বাচকবনীয়া সংগ্ৰহক শৃংখলাবদ্ধভাৱে সজোৱাৰ উদ্দেশ্যে এই ৱেবছাইট তথা ই-আলোচনীখন মুকলি কৰা হয়।

সম্প্ৰতি বহুকেইখন অসমীয়া ই-আলোচনীয়ে ছেগা-চোৱোকাকৈ হ'লেও ইণ্টাৰনেটৰ মাধ্যমেৰে সাহিত্য চৰ্চা কৰি থকাৰ লগতে কিছুমান নিৰ্দিষ্ট বিষয়তো পাঠকক সমল যোগান ধৰি আহিছে। তেনে কিছুমান ই-আলোচনী হ'ল — নিজাইন (www.nezine.com), মণিকূট (www.manikut.wordpress.com), কৃষক বন্ধু (www.krishakbandhu.org), সৃষ্টিৰ জিলিঙনি (www.sristirjiligoni.wordpress.com), সেউজী ধৰণী (www.sadik2crs.blogspot.in), প্ৰজন্ম (www.prajonma.wordpress.com), মুম্বাই চানেকি (www.mumbaichaneki.com), প্ৰতিবিম্ব (www.mumbaipratibimba.wordpress.com), গেটওৱিয়ান (www.gatewian.com)

- *কার্যালয়ৰ অসমীয়া ৱেব-চাইট ঃ* অসম চৰকাৰৰ বিভিন্ন বিভাগসমূহৰ (https:ûûassam.gov.inûgovdept) ৱেবচাইটসমূহ বৰ্তমান ইংৰাজী আৰু অসমীয়া দুইটা ভাষাতে ব্যৱহাৰ কৰা দেখা যায়। তলত প্ৰধান কেইটামান বিভাগৰ ৱেবচাইটৰ ঠিকনা দিয়া হ'ল —
  - প্ৰাথমিক শিক্ষা বিভাগ। ৱেবচাইট ঠিকনা—https:ûûelementary.assam.gov.inûas
  - কৃষি আৰু উদ্যানশস্যৰ বিভাগ। ৱেবচাইট ঠিকনা— https:ûûagri-horti.assam.gov.inûas
  - অসম চুক্তিৰ ৰূপায়ন বিভাগ। ৱেবচাইট ঠিকনা—https:ûûassamaccord.assam.gov.inûas
  - সমবায় বিভাগ। ৱেবচাইট ঠিকনা — https:ûûcoop.assam.gov.inûas
  - স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ। ৱেবচাইট ঠিকনা —https:ûûhfw.

কৰা হ'ল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ইয়াৰ বাহিৰেও বিভিন্ন গ্ৰুপ আছে যদিও সামগ্ৰিক আভাস দিবলৈহে এই গ্ৰুপ কেইটাৰ নাম ইয়াত উল্লেখ কৰা হ'ল।

- *অসমীয়াত কথা বতৰা ঃ* এটি অন্যতম গ্ৰুপ হৈছে "অসমীয়াত কথা বতৰা" গ্ৰুপ। ২০১০ চনৰ নৱেম্বৰ মাহৰ ২৭ তাৰিখে কেইজনমান অসমীয়া ডেকাৰ উদ্যোগত এই গোটটিৰ জন্ম হৈছিল ফেচবুকৰ লগতে চাইবাৰ জগতত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে। সকলো সদস্যয়ে পণ লৈছিল যে তেওলোকে গোটত যি আলোচনা কৰিব অসমীয়া ভাষাত অসমীয়া লিপিৰে লিখি আলোচনা কৰিব আৰু সেই নিয়ম মানি চলি এতিয়া প্ৰায় সত্তৰ হাজাৰ অসমীয়া মানুহেৰে "অসমীয়াত কথা বতৰা" ফেচবুকৰ ভিতৰতে এটা লেখত লবলগীয়া গোট হৈ পৰিছে। এই গোটৰ উদ্যোগতে ২০১১ চনৰ জুলাই মাহত "সাহিত্য ডট অৰ্গ" বুলি অসমীয়া ই আলোচনী খনৰ জন্ম হয়। চুটিগল্প, সাক্ষাৎকাৰ, কবিতা, দৈনন্দিন, ভিন্নস্বাদ, অনুবাদ সাহিত্য, গ্ৰন্থ আলোচনা, দেশে-বিদেশে, প্ৰবন্ধ, বোলছৰি, স্বাস্থ্য আৰু মন, ৰহঘৰা, ধাৰাবাহিক আদিৰে সাহিত্য এখনি সৰ্বাঙ্গ সুন্দৰ আলোচনী। প্ৰায়ভাগ নতুন লেখকৰে চিন্তাশীল লেখনিৰ মেটমৰা বোজা কঢ়িয়াই প্ৰতি মাহৰ ১৫ তাৰিখে সাহিত্য ডট অৰ্গ প্ৰকাশ পায়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এইখনেই ISSN থকা প্ৰথম অসমীয়া ই-আলোচনী।
- *অনামী — অসমৰ নাম নজনা উদ্ভিদ ঃ* অনামী গোটটোৰ মূল উদ্দেশ্য হ'ল আমাৰ চাৰিওকাষে থকা থলুৱা গছ-বনৰ সৈতে চিনাকি হোৱা। গোটটোত সদস্যসকলে আমাৰ চাৰিওফালে থকা গছ-বন আদি চিনাকি হ'বৰ বাবে সেইবোৰৰ ফটো আৰু বিশদ-বিৱৰণ পোষ্ট কৰিব পাৰে। আন সদস্যসকলে সেই বিষয়ে কিবা তথ্য থাকিলে তাত উল্লেখ কৰে। বৰ্তমান এই গোটত প্ৰায় ঊনচল্লিশ হাজাৰজন সদস্য আছে।
- *বিজ্ঞান-প্ৰযুক্তিৰ বতৰা ঃ* এই গোটটোত বিজ্ঞান-প্ৰযুক্তিৰ ন-পুৰণি আৱিষ্কাৰ, উদ্ভাবন, সূত্ৰ, পৰীক্ষা, গৱেষণা, প্ৰকল্প আদিৰ বিষয়ে আলোচনা কৰা হয়। লগতে এখন বিজ্ঞান আলোচনীৰ বাবে বিজ্ঞান-প্ৰযুক্তি, গৱেষণাৰ খবৰ-বতৰা, আৱিষ্কাৰ-উদ্ভাবনৰ প্ৰবন্ধ আদি লিখাৰ বাবে ন-পুৰণি লেখক লেখিকাসকলক উৎসাহিত কৰা আৰু ইউনিক'ডত বিজ্ঞান চৰ্চা কৰা আৰু বিজ্ঞান চৰ্চাৰ উপযুক্ত (ই-) পৰিৱেশ এটি গঢ়ি তোলাই হৈছে এই গোটটোৰ মূল উদ্দেশ্য।
- *কৃষক বন্ধু মোমাই তামুলী ঃ* পুৰণি অসমৰ কৃষি বিপ্লৱৰ গুৰি ধৰোতা মোমাই তামুলী বৰবৰুৱাৰ নামেৰে এই গোটটো সৃষ্টি কৰা হৈছে। এইটো এটা কৃষি সম্পৰ্কীয় মুকলি গোট। ইয়াত কৃষিৰ লগত জড়িত সকলো পৰ্যায়ৰ লোক লাভবান হোৱাকৈ বহুলভিত্তিক প্ৰয়োগিক কৃষি সমন্ধীয় সকলো ধৰণৰ আলোচনা কৰা হয়। ইয়াত আপোনালোকে নিজা অভিজ্ঞতা, সফলতাৰ কাহিনী, বিভিন্ন ধৰণৰ কেচ ষ্টাডি, উৎপাদনত সহায়ক হোৱাকৈ বিভিন্ন প্ৰযুক্তি বিদ্যা আৰু কৌশল ইত্যাদিৰ বিষয়ে

English (অসমীয়া আৰু ইংৰাজী অভিধান) খন ডিজিটেল ৰূপত গুগ'ল বুক্‌ছত সংগ্রহ কৰি ৰখা হৈছে। সম্পূর্ণ বিনামূলীয়াভাৱে পঢ়িব পৰাকৈ এই অভিধানখন ৰখা হৈছে।

ইণ্টাৰনেটত প্রকাশিত আটাইতকৈ গুৰুত্বপূর্ণ অভিধানখন হ'ল 'শব্দ'। 'শব্দ' ইউনিক'ডত প্রকাশিত প্রথম অনলাইন ইংৰাজী-অসমীয়া অভিধান। www.xobdo.org নামৰ ৱেবচাইটত এই অভিধানখন উপলব্ধ। ২০০৬ চনৰ পৰা অনলাইনযোগে প্রকাশিত এই অভিধানখনে অসমীয়া ভাষাকে ধৰি উত্তৰ-পূর্বাঞ্চলৰ বহুকেইটা ভাষাকে সাঙুৰি লৈছে। বর্তমান এই অভিধানখনত ইংৰাজী (১৯৯৬৬ শব্দ) আৰু অসমীয়া (৪৪৭৬৫ শব্দ) ভাষাৰ লগতে হিন্দী, বড়ো, মিচিং, কার্বি, ডিমাছা, টাই, বাংলা, নেপালি আদি ২৭ টা ভাষাৰ শব্দ অন্তর্ভুক্ত কৰি থকা হৈছে। অভিধানখনত ফকৰা-যোজনা, খণ্ডবাক্য, পটন্তৰ, ঐতিহাসিক স্থান, চৰাই, জীৱ-জন্তু, ফল, চলচ্চিত্র, বিশিষ্ট লোকৰ পৰিচয়কে ধৰি বিশ্বকোষৰ দৰে শিতানো অন্তর্ভুক্ত কৰা হৈছে।

Digital Dictionaries of South Asia নামৰ দক্ষিণ এছিয়াৰ ভাষাসমূহৰ অনলাইন ভাষা প্রকল্পটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্রকাশ কৰা *চন্দ্রকান্ত অভিধান*খন অন্তর্ভুক্ত কৰা হৈছে। এই অভিধানখনত ছপা কৰা ইংৰাজী শব্দবোৰৰ লগতে অসমীয়া শব্দবোৰৰ অর্থ আৰু সমার্থক শব্দবোৰ এই অনলাইন সংস্কৰণটোত অনুসন্ধান কৰি চাব পাৰি।

আমেৰিকাৰ মিচিগানৰ পৰা প্রকাশিত 'অ আ ক খ' (www.oakokho.com) নামৰ ৱেবচাইটতটোত 'স্বর্ণকমল' নামৰ এখন অনলাইন অভিধান পোৱা যায়। এই অভিধানখনত ইংৰাজী শব্দ এটা সন্ধান কৰিলে তাৰ অসমীয়া সমার্থক শব্দসমূহৰ লগতে সেই শব্দসমূহৰ উদাহৰণো দিবলৈ চেষ্টা কৰা দেখা গৈছে।

'অসমীয়া পৰিভাষা' বিষয়ক এটা ৱেবচাইট ইণ্টাৰনেটত পোৱা যায়। ফেচবুকৰ 'অসমীয়াত কথা-বতৰা' আৰু 'অসমীয়া ৱিকি সমাজ' গোটৰ কিছু সদস্যৰ স্বেচ্ছামূলক অৱদানৰ দ্বাৰা অসমৰ প্রশাসনীয় পৰিভাষা আৰু অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্রকাশিত বৈজ্ঞানিক পৰিভাষাৰ সমূহ শব্দ ইউনিকোডত লিপিবদ্ধ কৰি www.poribhasha.bhuruka.org নামৰ ৱেবচাইটটোত ৰখা হৈছে। এই ৱেবছাইটত সেই লিপিবদ্ধ কৰা পৰিভাষাসমূহ সন্ধান কৰি সহজে বিচাৰিব পৰাকৈ ৰখা হৈছে।

- *পুথিভঁৰাল ঃ*
  - ৱিকিউৎস ঃ অসমীয়া ভাষা বিষয়ক সর্ববৃহৎ অনলাইন পুথিভঁৰাল হ'ল ৱিকিউৎস। ৱিকিউৎস হ'ল সকলো লোকেই বৰঙণি আগবঢ়াব পৰা ই এক

শ্রীশ্রীমাধৱদেৱৰ *কীর্ত্তন-ঘোষা* আৰু *নামঘোষা* গ্ৰন্থ দুখন ডিজিটেল ৰূপত ইণ্টাৰনেটৰ সংগ্ৰহ কৰি ৰাখিছে। মূল ছপা গ্ৰন্থ দুখনৰ পৃষ্ঠাসমূহ স্কেন কৰি গ্ৰন্থ দুখনক ডিজিটেল ৰূপত ৰাখিবলৈ চেষ্টা কৰিছে।

- সাহিত্য ডট্ অৰ্গ (www.xahitya.org)ৰ অন্তৰ্গত 'সংগ্ৰহালয়' শিতানতো ইউনিক'ড ব্যৱস্থাৰে বহু কেইখন গ্ৰন্থ আৰু নিৰ্বাচিত প্ৰবন্ধ ডিজিটেল ৰূপত সংগ্ৰহ কৰি ৰখা হৈছে। বিনামূলীয়াকৈ পঢ়িব আৰু ডাউনলোড কৰিব পৰা এনে গ্ৰন্থ আৰু প্ৰবন্ধসমূহে অসমীয়া অনলাইন পুথিভঁৰাললৈ বিশেষ বৰঙনি আগবঢ়াইছে। বৰ্তমান 'সংগ্ৰহালয়' শিতানত — শ্রীমন্ত শংকৰদেৱৰ *কীর্ত্তন-ঘোষাৰ* ইউনিক'ড সংস্কৰণ, তিৱা ভাষাৰ হাতে লিখা ব্যাকৰণ, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব* (লীলাৱতী শইকীয়া বৰা), *পৰাগ কুমাৰ দাসৰ নির্বাচিত ৰচনাৱলী,* লক্ষ্মীনাথ বেজবৰুৱাৰ *গদাধৰ ৰজা : চ'ৰাঘৰীয়া ভাৱনা, হ-য-ব-ৰ-ল;* ড০ ভূপেন হাজৰিকাৰ গীতসমূহৰ ইউনিক'ড সংস্কৰণ, *নাৰায়ণ কৰচ,* শ্রীধৰ কন্দলিৰ *কাণখোৱা* আদি সংগ্ৰহ কৰি ৰখা হৈছে।
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ভাষাপ্রযুক্তি উন্নয়ন আৰু গৱেষণাগোট'ৰ অধীনত তথ্য প্রযুক্তিবিদ্যা বিভাগে http:ûûbhupenhazarikadigitalarchive.org নামৰ ৱেবচাইটটোত ড০ ভূপেন হাজৰিকাদেৱৰ কিছুসংখ্যক গীতৰ কথা ডিজিটেল (ইউনিকোড ব্যৱহাৰ কৰি) মাধ্যমত সংৰক্ষণ কৰি ৰাখিছে। ড০ হাজৰিকা দেৱৰ প্রথম মৃত্যু বার্ষিকীত মেঘালয়ৰ ৰাজ্যপাল মাননীয় শ্রীৰঞ্জিত শেখৰ মুছাহাৰীদেৱে উন্মোচন কৰা এই ৱেবছাইটটোৰ আৰম্ভণিতে ড০ ভূপেন হাজৰিকাদেৱৰ ৩৭২টি গীতৰ কথা সংগ্ৰহ কৰি সংৰক্ষণ কৰা হৈছে।
- অসমীয়া বিভিন্ন কবিৰ কবিতাৰ এটা ডাঙৰ অনলাইন পুথিভঁৰাল হ'ল প্রৱাসী অসমীয়া অভিযন্তা পল্লৱ শইকীয়া আৰু মৈত্রেয়ী দাসে নির্মাণ কৰা 'সঁফুৰা' (www.xophura.net) নামৰ ৱেবচাইটটো। এই ৱেবচাইটটোত প্রায় ১১৭ টা অসমীয়া কবিতা সংগ্ৰহ কৰি ৰখা হৈছে। কবিতাৰ উপৰি এই ৱেবচাইটটোত অসমীয়া গল্প, শিশু কবিতা, পুৰণি অসমীয়া লিখনি, ফকৰা-যোজনা, বিহু, সাঁথৰ আদিও সংগ্ৰহ কৰা হৈছে।
- ই-আলোচনী এনাজৰীৰ এটা অভিলাষী প্রকল্প 'সাহিত্যৰথী' (www.sahityarathi.com)-ত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন-কর্ম, ৰচনা সমগ্ৰৰ উপৰি বেজবৰুৱাৰ ফটোগ্রাফ, বেজবৰুৱা সম্পর্কীয় বিভিন্ন লেখা আদি বিস্তাৰিত ৰূপত সংগ্ৰহ কৰি ৰখা হৈছে। একেদৱে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া অধ্যয়ন কেন্দ্রৰ আর্কাইভতো বেজবৰুৱাৰ ডায়েৰীৰ বহু কেইটা পৃষ্ঠা ডিজিটেল ৰূপত সংগ্ৰহ কৰি ৰাখিছে।

.....

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ কিমান চনত অসমীয়া ৰিকিউৎসই নিজা ড'মেইন লাভ কৰে?

.....

প্ৰশ্ন নং ৮ ঃ মাৰ্কিন কল্পতৰু কি? কিমান চনত ক'ৰ পৰা ইয়াক প্ৰচাৰ কৰা হয়?

.....

.....



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইণ্টাৰনেটৰ ইতিহাস আৰম্ভ হয় ইলেক্ট্ৰনিক কম্পিউটাৰৰ অগ্ৰগতিত লগে লগে ১৯৫০ চনত। আমেৰিকাৰ কম্পিউটাৰ প্ৰ'গ্ৰেমাৰ ৰয় টমলিনচন (Ray Tomlinson)ক ইমেইলৰ আৱিষ্কাৰক বুলি কোৱা হয়। তেওঁৰেই পোন প্ৰথম বাৰৰ বাবে ১৯৭১ চনত ARPANET নামৰ এটা ব্যৱস্থাৰ মাধ্যমেৰে বিভিন্ন কম্পিউটাৰত থকা ব্যৱহাৰকাৰীলৈ ইমেইল প্ৰেৰণ কৰিব পৰা ব্যৱস্থাৰ সৃষ্টি কৰে। ইণ্টাৰনেটৰ মাধ্যমেৰে অসমীয়া ভাষাত ই-মেইল প্ৰেৰণ কৰা প্ৰথমজন ব্যক্তিৰ বিষয়ে যদিও বিশেষ তথ্য পোৱা নাযায় তথাপি ড০ যুগল কলিতাই প্ৰথমখন অসমীয়া ই-পত্ৰ লিখিছিল বুলি জনা যায়।।
- অধ্যায়টিত ইণ্টাৰনেটত অসমীয়া ভাষাৰ ব্যৱহাৰ সম্পৰ্কে কিছু তথ্য আলোচনা কৰা হ'ল। মূলতঃ ই-মেইল আৰু ব্লগত ব্যৱহৃত অসমীয়া ভাষা, ৰেব জার্নেল, বিভিন্ন কার্যালয়ৰ অসমীয়া ৰেব-চাইট, বিভিন্ন ই-গ্ৰুপ আদি, ইণ্টাৰনেটৰ অসমীয়া অভিধান তথা পুথিভঁৰাল, অসমীয়া ইণ্টাৰনেট ৰেডিঅ' আদিৰ বিষয়ে কিছু কথাৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। এই আলোচনাসমূহৰ প্ৰাসংগিক সময়ত বিভিন্ন তথ্য উল্লেখ কৰি আপোনাক ইণ্টাৰনেটত অসমীয়া ভাষাৰ স্থিতি সম্পৰ্কে ধাৰণা প্ৰদান কৰা হ'ল।

ইতিমধ্যে সৃষ্টি কৰা হৈছে। ইণ্টাৰনেটত প্ৰকাশিত আটাইতকৈ গুৰুত্বপূৰ্ণ অভিধানখন হ'ল 'শব্দ'। 'শব্দ' ইউনিক'ডত প্ৰকাশিত প্ৰথম অনলাইন ইংৰাজী-অসমীয়া অভিধান। www.xobdo.org নামৰ ৱেবচাইটত এই অভিধানখন উপলব্ধ। ২০০৬ চনৰ পৰা অনলাইনযোগে প্ৰকাশিত এই অভিধানখনে অসমীয়া ভাষাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বহুকেইটা ভাষাকে সাঙুৰি লৈছে। Digital Dictionaries of South Asia নামৰ দক্ষিণ এছিয়াৰ ভাষাসমূহৰ অনলাইন ভাষা প্ৰকল্পটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশ কৰা *চন্দ্ৰকান্ত অভিধান*খন অন্তৰ্ভুক্ত কৰা হৈছে। আমেৰিকাৰ মিচিগানৰ পৰা প্ৰকাশিত 'অ আ ক খ' (www.oakokho.com) নামৰ ৱেবচাইটতটোত 'স্বৰ্ণকমল' নামৰ এখন অনলাইন অভিধান পোৱা যায়।

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** ২০১৩ চনৰ ৪ জানুৱাৰীত অসমীয়া ৱিকিউৎসই নিজা উপ-ড'মেইন লাভ কৰে।

৮ **নং প্ৰশ্নৰ উত্তৰ ঃ** মাৰ্কিন কল্পতৰু হ'ল ইণ্টাৰনেটত প্ৰচাৰিত এটা ৱেডিঅ' অনুষ্ঠান। ১৯৯৭ চনৰ নৱেম্বৰ মাহৰ পৰাই মাৰ্কিন কল্পতৰুৱে আমেৰিকাৰ পৰা গোটেই বিশ্বৰ হাজাৰ হাজাৰ অসমীয়া ব্যক্তিক অসমীয়া গান শুনাৰ আনন্দ প্ৰদান কৰি আছে।



১৫.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক—

(ক) ইণ্টাৰনেটৰ আৰম্ভণি কিমান চনত হয়?

(খ) ভাৰতবৰ্ষত কিমান চনত ইণ্টাৰনেট সেৱা আৰম্ভ হৈছিল?

(গ) ই-মেইল কি? ইয়াৰ কিমান চনত কোনে আৱিষ্কাৰ কৰিছিল?

(ঘ) @ চিহ্নটো কোনে সৃষ্টি কৰিছিল?

(ঙ) কিমান চনত 'শব্দ' অভিধানখনৰ জন্ম হয়। বৰ্তমানলৈকে ইয়াত কিমানটা ভাষাৰ কিমান শব্দ আছে?

(চ) অসমীয়া ভাষাৰ প্ৰথমখন ৱেব জাৰ্নেল কোনখন? এই জাৰ্নেল কাৰ সম্পাদনাত কোন চনত প্ৰকাশ হৈছিল?

(ছ) বিশ্ববিদ্যালয় অনুদান আয়োগৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰসংগসূত্ৰৰূপে স্বীকৃতি লাভ কৰা ই-আলোচনী দুখনৰ নাম লিখক?